# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-08-2025

**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০

গৃহ মন্ত্ৰালয়ে তিনিচুকীয়া জিলাৰ ডিগবৈ থানাক ৰাজ্যৰ শ্ৰেষ্ঠ থানা হিচাপে বাছনি কৰিছে। দেশৰ ৭৬ খন থানাৰ ভিতৰত ডিগবৈ থানাই স্মাৰ্ট আৰক্ষী সেৱাৰ জৰিয়তে এই সন্মান লাভ কৰিছে। আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত ডিগবৈ থানাক শ্ৰেষ্ঠ থানা হিচাপে প্ৰশংসা পত্ৰ প্ৰদান কৰা হ'ব। অসম আৰক্ষীৰ পৰিদৰ্শক দিব্যজ্যোতি দত্তই ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব পালন কৰি আছে। বিষয়াগৰাকীৰ নেতৃত্বত ডিগবৈ অঞ্চলত অপৰাধমূলক কাম-কাজ হ্ৰাস পোৱাৰ উপৰি কেইবাটাও অঞ্চলত সজাগতাৰ সৃষ্টি হৈছে।

০০০০০০

যোৰহাট জিলাৰ নিমাতিঘাটত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। খহনীয়াৰ কবলত পৰি যোৰহাটকে ধৰি বিস্তীৰ্ণ অঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। খহনীয়াৰ ফলত নিমাতি হাঁটীশাল শৈলবান্ধৰ এটা বৃহৎ অংশ খহি যায়। খহনীয়াৰ ফলত ঐতিহাসিক ক'কিলাপথাৰো নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে। মাজুলীৰ বেচামৰা দিশৰ পৰা নদীখনে প্ৰত্যক্ষভাৱে দক্ষিণপাৰত খুন্দা মৰাৰ ফলত নিমাতি হাটীশালৰ দুই নম্বৰ শৈলবান্ধ আৰু এক নম্বৰ বুলহেডৰ মাজৰ ভিতৰ ক'কিলা অঞ্চলত খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে খহনীয়া ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে যদিও সমস্যাৰ সমাধান নোহোৱাত জনসাধাৰণেত উদ্বিগ্নতা প্ৰকাশ কৰিছে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণৰ দুই নম্বৰ দিখাৰী গাঁৱত ভাদমহীয়া নাম-কীৰ্তনৰ মাহ-প্ৰসাদ খোৱাৰ পাছত বিষক্ৰিয়া হৈ শিশু-মহিলাসহ কমেও ৬৭ জন লোক অশুস্থ হৈ পৰিছে। অসুস্থসকলক মৰাণ তিলৈ সামুহিক স্বাস্থ্য কেন্দ্ৰ, খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু লেঙেৰী স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হৈছে। ইয়াৰে গুৰুতৰভাৱে অসুস্থ ২৪ গৰাকীক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। কালি মন্ত্ৰী বিমল বৰাই চিকিৎসাধীন লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ অৱস্থাৰ বুজ লয়। ইপিনে, আক্ৰান্তৰ সংখ্যা আৰু বৃদ্ধি হোৱাৰ আশংকা কৰি স্বাস্থ্য বিভাগে অঞ্চলটোৰ ঘৰে ঘৰে গৈ ঔষধ যোগান ধৰিছে। ডিব্ৰুগড় জিলা খাদ্য বিভাগৰ এটা তদন্তকাৰী দলে প্ৰসাদত কিদৰে বিষক্ৰিয়া হ'বলৈ পালে সেই বিষয়ে তদন্ত অব্যাহত ৰাখিছে। দলটোৱে নামঘৰৰ প্ৰসাদ আৰু পানী সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ উপৰি

যিকেইখন দোকানৰ পৰা বুট আৰু মণ্ডমাহ ক্ৰয় কৰা হৈছিল সেই দোকান কেইখনৰ বুট-মাহৰ নমুনা পৰীক্ষাৰ বাবে সংগ্ৰহ কৰিছে।

০০০০০০

যোৰহাট জিলা কৃষি আৰু ৰাজহ বিভাগৰ যৌথ উদ্যোগত ভূমিৰ নামজাৰি সম্পৰ্কীয় সমস্যাৰ তাৎক্ষণিক সমাধানৰ লগতে কৃষক পঞ্জীয়ন সুনিশ্চিত কৰাৰ উদ্দেশ্যে আজিৰ পৰা জিলাখনত কৃষি ৰাজহ আদালতৰ ব্যৱস্থা কৰা হৈছে। এই আদালতৰ অধীনত জিলাখনৰ প্ৰতিটো ৰাজহ চক্ৰৰ প্ৰতিখন ৰাজহ গাঁও সামৰি লোৱা হ'ব। নামজাৰি সম্পৰ্কীয় সমস্যাৰ বাবে যিসকল কৃষকে এতিয়ালৈকে কৃষক পঞ্জীয়ন কৰিব পৰা নাই তেওঁলোকক নিকটৱৰ্তী শিবিৰলৈ আহি ভূমি সম্পৰ্কীয় সমস্যাৰ সমাধান কৰিবলৈ কৃষি বিভাগে আহ্বান জনাইছে। উল্লেখযোগ্য যে কৃষি ৰাজহ আদালত তথা কৃষক পঞ্জীয়নৰ শিবিৰসমূহত উত্তৰাধিকাৰী সূত্ৰে পোৱা মাটিৰ নামজাৰি, মাটিৰ নথিত নাম শুধৰণি, একচনীয়া পট্টাৰ পৰা ম্যাদীপট্টালৈ পৰিৱৰ্তন অথবা বছৰেকীয়া পট্টাৰ পৰা সাময়িক পট্টালৈ পৰিৱৰ্তন, ই-খাজানাৰ লগতে ভূমি সম্পৰ্কীয় আন কেইবাটাও সেৱা আগবঢ়োৱা হ'ব।

০০০০০০

ডিব্ৰুগড়ৰ নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ ঘোষ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এইকথা সদৰি কৰিছে। বাৰ্তাটোত তেওঁ কয়, যে এই সন্মানে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনক গৌৰৱান্বিত কৰাই নহয়, চাহ বাগিচা অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনলৈও আশাৰ বাৰ্তা বহন কৰিছে। এই কৃতিত্বই ৰাজ্যৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে শৈক্ষিক সমাজখনক অনুপ্ৰেৰণা যোগাব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ২০২৩ চনত দেৱজিৎ ঘোষ ৰাজ্যিক কৃতি শিক্ষক বঁটাৰে সন্মানিত হৈছিল।

০০০০০০

শিৱসাগৰৰ যুৱ দ'লত কালি সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ নৱম প্ৰতিষ্ঠা দিৱস উপলক্ষে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য বঁটা বিশিষ্ট সাহিত্যিক ড০ মালিনী গোস্বামী প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি ড০ গোস্বামীয়ে ভাষা আৰু জাতিৰ অস্তিত্ব শক্তিশালী কৰাৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাক সংগ্ৰামী চেতনা বুলি অভিহিত কৰে। কালিৰ অনুষ্ঠানত কেইবাটাও জনগোষ্ঠীয় সংগঠনৰ নেতৃবৃন্দও উপস্থিত থাকে। সন্ধিয়াৰ ভাগত বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি গ্ৰামোন্নয়ন অভিকৰণৰ কাৰ্যালয়ৰ সভাগৃহত আয়োজিত এখন সভাত অংশগ্ৰহণ কৰে। সভাখনত স্বায়ত্তশাসিত পৰিষদ, পঞ্চায়তীৰাজ ব্যৱস্থা আৰু ৰাজ্য চৰকাৰৰ সকলো বিভাগৰ লগত সমন্বয়ৰে কাম কৰাৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনিসমূহৰ সফল ৰূপায়ণত জনপ্ৰতিনিধিসকলে সক্ৰিয় ভূমিকা পালন কৰাৰ সংকল্প গ্ৰহণ কৰে।

০০০০০০

তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালৰ ব্যক্তিগত প্ৰচেষ্টাত গঢ় লৈ উঠা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহ সংলগ্ন এটা কোঠা আজি আনুষ্ঠানিকভাৱে পঢ়ুৱৈৰ বাবে মুকলি কৰা হ'ব। কোঠাটোত মুঠ ২০ গৰাকী পঢ়ুৱৈয়ে একেলগে বহি পঢ়িব পৰাৰো ব্যৱস্থা আছে। উল্লেখযোগ্য যে তিনিচুকীয়াৰ জিলাৰ আয়ুক্তগৰাকীয়ে নিচাসক্ত কিশোৰসকলৰ নিচা আসক্তি দূৰ কৰাৰ বাবে বিভিন্ন উদ্যোগ গ্ৰহণ কৰাৰ লগতে বিশেষভাৱে সক্ষমসকলৰ বাবে **মিছন থটফুল** আঁচনিৰ জৰিয়তে সেৱা আগবঢ়াই আহিছে। মহিলা সৱলীকৰণৰ বাবেও তেওঁ বিশেষ উদ্যোগ গ্ৰহণ কৰিছে।

oooooo

**সমাপ্ত**